বাণী
ভাগৰ
ত্ৰ কৰি
াৰে।
— গ্যেটে

# অসম আদিত্য

ংখ্যা ১৪ ■ ২ মাঘ, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ১৬ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, January 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

### কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত উমাল এসন্ধ্যাত প্ৰৱাসী অসমীয়া নিৰলা বৰুৱা

## পাহৰিলে নহ'ব অসমীয়া ভাষা-সংস্কৃতি, পৰম্পৰা, উৎসৱ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ জানুৱাৰী ঃ** অসমৰ ভাষা-সংস্কৃতি, পৰম্পৰা, উৎসৱ পাহৰিলে নহ'ব। জাতিক সচেতন, সজাগ আৰু সক্ৰিয় কৰি তুলিবলৈকে ভাষা-সংস্কৃতি, পৰম্পৰাক গুৰুত্ব দিব লাগিব। অসম আৰু অসমীয়াক জীয়াই ৰাখিবলৈ ভাষা-সংস্কৃতিৰ চৰ্চা অব্যাহত ৰাখিব লাগিব। নতুন প্ৰজন্মক ভাষা-সংস্কৃতিক শ্ৰদ্ধা জনাবলৈ পৰিৱেশ ৰচনা কৰিব লাগিব। স্কটলেণ্ডত বিগত পঞ্চাশ বছৰে বসবাস কৰিও অসমৰ ভাষা-সংস্কৃতিৰ নিৰন্তৰে সেৱা কৰি অহা প্ৰৱাসী অসমীয়া, স্নেহবন্ধনৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ যুক্তৰাষ্ট্ৰ শাখাৰ উপ-সভাপতি, স্কটলেণ্ডত বিশেষভাৱে সন্মানীত শিক্ষয়িত্ৰী নিৰলা বৰুৱাই এইদৰে কয়। ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ চৌহদৰ সেউজীয়া বাকৰিত মাঘ বিহু উপলক্ষ্যে অনুষ্ঠিত হোৱা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বৰুৱাই কয়— দীৰ্ঘ দিনৰ পৰা কানৈ মহাবিদ্যালয় চোৱাৰ হেঁপাহ আছিল। সেই হেঁপাহ পূৰণ কৰিবলৈকে মহাবিদ্যালয়খনত আহি এক অনাবিল আনন্দ লাভ কৰা বুলি উল্লেখ কৰি কয়— মহাবিদ্যালয়খনে নিয়মীয়া পাঠ্যক্ৰমৰ উপৰিও নতুন প্ৰজন্মক ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ই স্বাভাৱিকতে প্ৰশংসাৰ যোগ্য বুলি উল্লেখ কৰি কয়— এনে এক সুন্দৰ অনুষ্ঠানতস্কটলেণ্ডৰ পৰা পোনে পোনে ডিব্ৰুগড়ত উপস্থিত হৈ ভাগ ল'বলৈ আহিছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ এনে প্ৰচেষ্টাক ভূঁয়সী প্ৰশংসা কৰি কয়— কণ কণ শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে সমবেত কৰি মাঘ বিহুৰ পৰম্পৰা ৰক্ষা কৰাত আগভাগ লৈছে। ই এক প্ৰতিভা বিকাশৰ মঞ্চ বুলি উল্লেখ কৰি তেওঁ কয়— এনেদৰে সকলোৱে সমবেত হৈ ঐক্যবদ্ধভাৱে ভাষা-সংস্কৃতিৰ হৈ কাম কৰি গ'লে অসমীয়াৰ পৰম্পৰা, উৎসৱ কেতিয়াও লুপ্ত নহয়। উল্লেখ্য যে কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ডিব্ৰুগড় জিলা মইনা পাৰিজাত, চাবুৱাৰ কালাৰ্চ ইনষ্টিটিউট, ডিব্ৰুগড় ব্ৰহ্মপুত্ৰ সংগীত বিদ্যালয়ৰ উদ্যোগত ১২ জানুৱাৰীৰ সন্ধ্যা ৫ বজাৰ পৰা এনে বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। কেইবাশতাধিক কণ কণ শিশু, মইনা, যুৱক-যুৱতী আৰু বৃদ্ধসকলেও ভাগ লোৱা অনুষ্ঠানটো উদ্বোধন কৰে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উপ-সভাপতি হিৰণ্য সেনাপতিয়ে। অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই। আবৃতা লিজা পাঠকে আঁত্ৰ ধৰা অনুষ্ঠানটোত কালাৰ্চ ইনষ্টিটিউটৰ তৰফৰ পৰা পিংকী সোনোৱাল, ধৰিত্ৰী দিহিঙীয়া, কুঁৱলী লেখাৰু শইকীয়াৰ বিহু প্ৰদৰ্শন, অংকুৰণ, মিলিজুলি মইনা পাৰিজাতৰ মইনাসকলৰ দ্বাৰা বিহু প্ৰদৰ্শন, ব্ৰহ্মপুত্ৰ সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা বিহু প্ৰদৰ্শন, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংগীত সম্পাদক ভূৱন পেগুৰ গীত পৰিৱেশন, নৱনিতা কলিতাৰ বিহু নৃত্য পৰিৱেশন, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সাংস্কৃতিক সম্পাদক ৰাজীৱ ফুকনৰ সুন্দৰ ঢোল বাদনেৰে কাৰ্যসূচী মননশীল কৰি তোলা অনুষ্ঠানত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সম্পাদক মামনি শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি এনে অনুষ্ঠানে উঠি অহা প্ৰজন্মক অনুপ্ৰাণিত কৰে বুলি কয়। চাবুৱা কালাৰ্চ ইনষ্টিটিউটৰ পৰিচালন সঞ্চালক অমল শইকীয়া, ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী, ৰাজ্যিক কৃতি শিক্ষয়িত্ৰী, প্ৰাক্তন কানৈয়ান, জনপ্ৰিয় সংগীত শিল্পী বিউটি লেখাৰু শইকীয়াই নতুন প্ৰজন্মৰ বাবে সকলোৱে এনেদৰে কাম কৰি যোৱা উচিত বুলি কয়। একেটা অনুষ্ঠানতে নাট্য শিল্পী, প্ৰশিক্ষক নলবাৰীৰ কৰণ দাসকো উদ্যোক্তাসকলে এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী, নৃত্য বিষাৰদ, চন্দন কলিতা, সাহিত্যিক দীপিকা গগৈ, পাপৰী গগৈ, দীপিকা বৰাকে প্ৰমুখ্য কৰি কানৈ মহাবিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, অনেক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।